# পাতনি

আধুনিক অসমীয়া সাহিত্যত স্বদেশপ্ৰেম এক বিশেষ বিষয়। 'অৰুনোদই' যুগৰ সাহিত্যত স্বাভাৱিক ৰূপত প্ৰকাশ পোৱা স্বদেশপ্ৰেমে ৰোমাণ্টিক যুগত বিস্তৃত বিষয়বস্তুৰে সৈতে বিস্তৃত পৰিসৰত এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছিল। এইক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ অৱদান একক আৰু অনন্য। কবি, নাট্যকাৰ, শিশু সাহিত্যিক, প্ৰাবন্ধিক, আত্মজীৱনী লেখক, বৈষ্ণৱ সাহিত্যৰ প্ৰণেতা, গীতিকাৰ আৰু অনুবাদক বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ মূল বিষয়বস্তু হ'ল স্বদেশপ্ৰেম। বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেমৰ প্ৰকাশ বিশেষ বৈশিষ্ট্য সম্পন্ন। ৰোমাণ্টিক যুগৰ সাহিত্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ প্ৰণালীবদ্ধ অধ্যয়ন আৰু বিচাৰ বিশ্লেষণৰ জৰিয়তে সেই কথা অধিক স্পষ্ট ৰূপত পোৱা যায়।

বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য বিশেষকৈ স্বদেশপ্ৰেমমূলক কবিতাসমূহে কুৰি শতিকাৰ তৃতীয় দশক মানৰে পৰা অসমীয়া সমাজ জীৱনত আলোড়ন সৃষ্টি কৰি গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। বৰুৱাৰ কবিতাত নিহিত হৈ থকা অন্যতম বৈশিষ্ট্য হৈছে অতীত ৰোমন্থন, বুৰঞ্জী বিশ্লেষণ আৰু সুমধুৰ ধ্বনি ব্যঞ্জনা। এইক্ষেত্ৰত বৰুৱাৰ 'গড়গাঁও', 'ৰঙামূৱা বীৰ', 'আগীয়াঠুঁটীৰ বীৰ', 'শ্মশান', 'বাজ বীণ', 'ৰঙপুৰ', 'ধন্য শৰাইঘাট', 'ভাৰতবৰ্ষ', 'জন্মভূমি' আদি কবিতা উল্লেখযোগ্য। তাৰ উপৰি বৰুৱাৰ কবিতাত প্ৰকৃতি জগতৰ পৰা আধ্যাত্মিক জগতলৈকে অলেখ বিষয়বস্তুৰে স্বদেশপ্ৰেমৰ স্বাক্ষৰ বহন কৰিছে। বৰুৱাৰ অন্যান্য সাহিত্যৰাজি বিশেষকৈ বৰুৱাৰ নাটক 'শৰাইঘাট' স্বদেশপ্ৰেমৰ অমল উৎস। অসম বুৰঞ্জীৰ অমৰ চৰিত্ৰ লাচিত বৰফুকনৰ বীৰত্ব আৰু ত্যাগৰ মহিমাৰে শৰাইঘাট বৰুৱাৰ অমৰ সৃষ্টি। বৰুৱাৰ পৌৰাণিক নাটক 'পাৰ্থ-সাৰথি'ৰ ভূমিকাও এই ক্ষেত্ৰত উল্লেখযোগ্য। তাৰ উপৰি বৰুৱাৰ শিশু সাহিত্যলানিত প্ৰকাশিত স্বদেশপ্ৰেম বিশেষ বৈশিষ্ট্যপূৰ্ণ। বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰতিফলিত স্বদেশপ্ৰেম বিভিন্ন ভাৱেৰে  কেইবাটিও দিশেৰে সুতীব্ৰ ৰূপত প্ৰবাহিত। 'অতীতৰ ৰিং' আৰু বৈষ্ণৱ পদাৱলীৰ আৰ্হিৰ ৰচনা 'বৰ নামঘৰৰ মাহাত্ম্য' আদিত প্ৰবাহিত স্বদেশপ্ৰেমৰ প্ৰকাশ সুগভীৰ। অন্যহাতে বৰুৱাৰ গীত আৰু অনুদিত কবিতাও তদ্ৰূপ। সেই বিষয়ে বিশ্লেষণৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি আমি 'বিনন্দ

চন্দ্র বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম' শীৰ্ষক অধ্যয়ন আমাৰ গৱেষণা কৰ্ম হিচাপে নিৰ্বাচিত কৰোঁ। স্বদেশপ্ৰেমক সমাজ পৰিৱৰ্তনৰ এক শক্তিৰূপে প্ৰতিষ্ঠা কৰা বিনন্দ চন্দ্র বৰুৱাৰ বিস্তৃত সাহিত্যৰাজিত প্ৰবাহিত হৈ থকা স্বদেশপ্ৰেমৰ বিচাৰ-বিশ্লেষণ অত্যন্ত প্ৰাসংগিক। ইয়াৰ জৰিয়তে বিনন্দ চন্দ্র বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ ব্যাপ্তি বিচাৰ কৰাৰ উপৰিও বৰুৱাৰ সাহিত্যকৰ্মৰ ঐতিহাসিক মূল্য বিচাৰ কৰা এই গৱেষণা কৰ্মৰ উদ্দেশ্য। আশা কৰোঁ, আমাৰ এই অধ্যয়নে বিনন্দ চন্দ্র বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম প্ৰকাশৰ ক্ষেত্ৰত বহুবোৰ নতুন দিশৰ সন্ধান দিব।

(চিত্ৰা দুৱৰা)

Scanned with CamScanner